**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 19-02-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN
**HEADLINES**
**::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অসমৰ বঙাইগাঁও জিলাৰ যোগীঘোপাত কালি উদ্বোধন কৰা আভ্যন্তৰীণ জল পৰিবহণ টাৰ্মিনেলৰ প্ৰশংসা কৰিছে।

২। কাটাৰৰ সৈতে ভাৰতৰ সম্পৰ্ক অধিক সুদৃঢ় হোৱা বুলি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে মন্তব্য কৰিছে।

৩। কাটাৰত ভাৰতীয় প্ৰব্ৰজনকাৰীসকলক আগবঢ়োৱা চৰকাৰী সহায়ৰ বাবে কেন্দ্ৰীয় মন্ত্ৰী জে পি নাড্ডাই কাটাৰৰ আমিৰ শ্বেখ তামিম বিন হামাদ অল থানীক ধন্যবাদ জ্ঞাপন কৰিছে।

৪। পাকিস্তানৰ খাইবাৰ পখতুনখৱা অঞ্চলত সেনাবাহিনীয়ে চলোৱা অভিযানত কমেও ৩০ জন সন্ত্ৰাসবাদীৰ মৃত্যু হৈছে। **আৰু**

৫। আই চি চি চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ নৱম সংস্কৰণৰ প্ৰথমখন খেলত আজি পাকিস্তান নিউজিলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অসমৰ বঙাইগাঁও জিলাৰ যোগীঘোপাত কালি উদ্বোধন কৰা আভ্যন্তৰীণ জল পৰিবহণ টাৰ্মিনেলৰ প্ৰশংসা কৰিছে। সামাজিক মাধ্যমযোগে শ্ৰীমোদীয়ে এই প্ৰকল্পক ঐতিহাসিক বুলি অভিহিত কৰি কয়, যে আগলৈ ই আন্তঃগাঁথনি উন্নয়ন তথা আভ্যন্তৰীণ জল পৰিবহণ ব্যৱস্থাৰ বিকাশ আৰু অগ্ৰগতিত যথেষ্ট অৰিহণা যোগাব।

আমাৰ পূৰ্বৰ বাতৰিতে কোৱা হৈছে যে কেন্দ্ৰীয় বন্দৰ, জাহাজ চলাচল আৰু জলপথ দপ্তৰৰ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কালি যোগীঘোপাত ভূটানৰ উদ্যোগ, বাণিজ্য আৰু নিয়োগ মন্ত্ৰী নামগিয়াল দৰ্জী, ৰাজ্য চৰকাৰৰ কেইবাগৰাকীও মন্ত্ৰী তথা বিশিষ্ট ব্যক্তি উপস্থিতিত আভ্যন্তৰীণ জল পৰিবহণ টাৰ্মিনেলৰ উদ্বোধন কৰে। কেন্দ্ৰীয় চৰকাৰৰ আভ্যন্তৰীণ জল পৰিবহণ প্ৰাধিকৰণৰ উদ্যোগত যোগীঘোপাৰ নৰনাৰায়ণ সেঁতুৰ কাষত ব্ৰহ্মপুত্ৰ নদীৰ পাৰত ১৫ একৰ ভূমি সামৰি এই টাৰ্মিনেলটো নিৰ্মাণ কৰা হৈছে। ৮২ কোটি টকা ব্যয় সাপেক্ষ টাৰ্মিনেলটোৰ প্ৰথম পৰ্যায়ৰ নিৰ্মাণকাৰ্য সম্পূৰ্ণ হৈছে। ভূটানৰ গেলেফুৰ পৰা ৯১ কিলোমিটাৰ, বাংলাদেশ সীমান্তৰ পৰা ১০৮ কিলোমিটাৰ আৰু গুৱাহাটীৰ পৰা ১৪৭ কিলোমিটাৰ নিলগত অৱস্থিত এই টাৰ্মিনেলটো মুকলি হোৱাৰ পাছত যোগীঘোপা আৰু বাংলাদেশৰ মাজত জাহাজ চলাচল কৰা হ'ব। ইয়াৰ জৰিয়তে ভাৰত, চুবুৰীয়া ৰাষ্ট্ৰ ভূটান আৰু বাংলাদেশৰ মাজত জল পথেৰে বাণিজ্য সহজ আৰু সুলভ হৈ পৰিব বুলি আশা কৰা হৈছে।

ooooo

**ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে কয় যে কাটাৰৰ সৈতে ভাৰতৰ সম্পৰ্ক অধিক সুদৃঢ হৈছে আৰু কাটাৰ ভাৰতৰ সৈতে পশ্চিম এছিয়াৰ বাণিজ্যিক আৰু সাংস্কৃতিক সংযোগৰ অবিচ্ছেদ্য অংগলৈ**

পৰিণত হৈছে। কাটাৰৰ 'আমিৰ' শ্বেখ তামিম বিন হামাদ আল থানীক কালি সন্ধিয়া ৰাষ্ট্ৰপতি ভৱনত আদৰণি জনাই ৰাষ্ট্ৰপতিগৰাকীয়ে দুয়োখন দেশৰ মাজত বহুমুখী সম্পৰ্ক আৰু সহযোগিতা অধিক সুদৃঢ় কৰিবলৈ আগ্ৰহ প্ৰকাশ কৰে। ৰাষ্ট্ৰপতি দ্ৰোপদী মুৰ্মুৱে দুয়োখন দেশ বাণিজ্য, বিনিয়োগ, খাদ্য সুৰক্ষা, স্বাস্থ্য, সংস্কৃতি, আৰু শক্তিৰ ক্ষেত্ৰত নিৰ্ভৰযোগ্য অংশীদাৰ বুলি আলোকপাত কৰে। ৰাষ্ট্ৰপতিগৰাকীয়ে ভাৰত আৰু কাটাৰে নিজ নিজ শক্তিৰ সহায় লৈ উদ্ভাৱন, প্ৰযুক্তি, আৰু ষ্টাৰ্ট-আপৰ ক্ষেত্ৰত সহযোগিতা অধিক তৰান্বিত কৰিব লাগে বুলিও পৰামৰ্শ প্ৰদান কৰে। কেৱল ভাৰত আৰু কাটাৰৰ জনসাধাৰণৰ বাবেই নহয়, বিশ্বৰ সকলো মানুহৰ বাবেই শান্তি, প্ৰগতি আৰু সমৃদ্ধিৰ বাবে দুয়োখন দেশে একেলগে কাম কৰিব লাগে বুলিও ৰাষ্ট্ৰপতিগৰাকীয়ে মত পোষণ কৰে। লগতে তেওঁ ভাৰত-কাটাৰৰ সম্পৰ্কক ‘কৌশলগত অংশীদাৰিত্ব’ৰ স্তৰলৈ উন্নীত কৰিলে দেশদুখনৰ মাজত আৰু অধিক ঘনিষ্ঠ সম্পৰ্ক গঢ় লৈ উঠিব বুলিও মন্তব্য প্ৰদান কৰে। আলহী নেতাগৰাকীৰ সন্মানত ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱেও কালি নৈশ ভোজৰো আয়োজন কৰে।

ooooo

বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি তথা স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ কেন্দ্ৰীয় মন্ত্ৰী জে পি নাড্ডাই কালি নতুন দিল্লীত কাটাৰৰ 'আমিৰ' শ্বেখ তামিম বিন হামাদ আল থানীক সাক্ষাৎ কৰে। আলোচনাৰ সময়ত জে পি নাড্ডাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ নেতৃত্বত ভাৰতৰ স্বাস্থ্যসেৱাৰ উন্নতিৰ ওপৰত আলোকপাত কৰাৰ লগতে অতিথি নেতাগৰাকীক ভাৰতীয় শাসন ব্যৱস্থাৰো আভাস প্ৰদান কৰে। কাটাৰৰ 'আমিৰ' শ্বেখ তামিম বিন হামাদ আল থানীক সাক্ষাতকালত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে স্বাস্থ্যসেৱাৰ সুবিধা আৰু সুলভ মূল্যৰ চিকিৎসা সেৱা প্ৰদানৰ ক্ষেত্ৰত চৰকাৰৰ প্ৰচেষ্টাৰ বিষয়ে বিশদভাৱে জানিবলৈ দিয়ে। তেঁও লগতে স্বাস্থ্যসেৱা আৰু ঔষধ খণ্ডত কাটাৰ আৰু ভাৰতৰ সহযোগিতা সন্দৰ্ভত থকা সুযোগৰ বিষয়েও বৰ্ণনা কৰে। কাটাৰত ভাৰতীয় প্ৰব্ৰজনকাৰীসকলক চৰকাৰে আগবঢ়োৱা সহায়ৰ বাবেও কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে শ্বেখ থানীক ধন্যবাদ জ্ঞাপন কৰে। ইফালে, শ্বেখ থানীয়ে শেহতীয়া লোকসভা আৰু কেবাখনো ৰাজ্যৰ বিধানসভা নিৰ্বাচনত বিজেপিৰ জয়ৰ বাবে বিজেপিৰ সভাপতি জে পি নাড্ডাক অভিনন্দন জনাই। ভাৰত আৰু কাটাৰৰ মাজত স্বাস্থ্যসেৱা খণ্ডত সহযোগিতাৰ ক্ষেত্ৰত অধিক পৰিসৰ আছে বুলি নাড্ডাৰ সৈতে সহমতত উপনীত হয়।

ooooo

ভাৰতীয় জনতা পাৰ্টিৰ প্ৰতি স্থানীয় নিকায়সমূহৰ নিৰ্বাচনত দেখুওৱা আস্থাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গুজৰাটবাসীলৈ ধন্যবাদ জ্ঞাপন কৰিছে। সামাজিক মাধ্যমযোগে শ্ৰীমোদীয়ে উল্লেখ কৰে যে বিজেপিৰ সৈতে গুজৰাটবাসীৰ সম্পৰ্ক অটুট আৰু দিনক দিনে সেয়া অধিক সুদৃঢ় হৈছে। গুজৰাটৰ শেহতীয়া বিজয়ক উন্নয়নৰ ৰাজনীতিৰ বিজয় বুলি তেওঁ অভিহিত কৰে। ভাৰতীয় জনতা পাৰ্টিৰ প্ৰতি গুজৰাটবাসীয়ে প্ৰতিটো নিৰ্বাচনতে

প্ৰদৰ্শন কৰি অহা অন্তৰস্পৰ্শী আস্থাই অধিক উদ্যমেৰে কাম কৰিবলৈ প্ৰেৰণা যোগাই বুলি শ্ৰীমোদীয়ে উল্লেখ কৰে। তেওঁ লগতে এই বিজয়ৰ বাবে বিজেপিৰ প্ৰতিগৰাকী কাৰ্যকৰ্তাৰ প্ৰচেষ্টা তথা শ্ৰমৰ শলাগ লয়।

০০০০০

এদিনৰ বিৰতিৰ মূৰত অসম বিধানসভাৰ বাজেট অধিবেশন আজিৰে পৰা দিশপুৰত অনুষ্ঠিত হ'ব। আজি সদনত প্ৰশ্নোত্তৰ কালৰ পাছতেই ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদসূচক প্ৰস্তাৱ সন্দৰ্ভত আলোচনা অনুষ্ঠিত হ'ব। আমাৰ সংবাদদাতাই জনোৱা মতে, পৰহি কোকৰাঝাৰত অনুষ্ঠিত বাজেট অধিবেশনৰ প্ৰথম দিনাৰ বৈঠকত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই দাখিল কৰা বিপ্লৱ কুমাৰ শৰ্মা আয়োগৰ প্ৰতিবেদনত প্ৰকাশিত কেতবোৰ প্ৰসংগ সন্দৰ্ভতো সদনত শূন্যকালত আলোচনা হোৱাৰ সম্ভাৱনা আছে।

২০ ফেব্ৰুৱাৰীত অসম বিধানসভাৰ বাজেট অধিবেশনৰ কাৰ্যক্ৰমণিকা অনুষ্ঠিত হোৱাৰ পাছত পৰৱৰ্তী দহ দিন সদনৰ বৈঠক অনুষ্ঠিত নহয়। ৩ মাৰ্চৰ পৰা ৭ মাৰ্চ শুকুৰবাৰলৈ সদনৰ বৈঠক অনুষ্ঠিত হ'ব। ১০ মাৰ্চত বিত্তমন্ত্ৰী অজন্তা নেওগে সদনত ২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাবে ৰাজ্যখনৰ সাধাৰণ বাজেট উত্থাপন কৰিব।

আকাশবাণী গুৱাহাটী কেন্দ্ৰই বিধানসভা অধিবেশন অনুষ্ঠিত হোৱা দিনত প্ৰতি নিশা ৯ বাজি ১৫ মিনিটৰ পৰা ১০ মিনিটৰ বাবে ***বিধানসভাত আজিৰ দিনটো*** প্ৰচাৰ কৰিব।

০০০০০

**পাকিস্তানৰ খাইবাৰ পখতুনখোৱা প্ৰদেশত কালি চোৰাংচোৱাৰ খবৰৰ ভিত্তিত চলোৱা এটা অভিযানত নিৰাপত্তা বাহিনীয়ে কমেও ৩০ জন সন্ত্ৰাসবাদীৰ মৃত্যু হোৱা বুলি দেশখনৰ সেনাবাহিনীয়ে প্ৰকাশ কৰিছে। পাকিস্তানী সেনাৰ সংবাদ শাখা আই এছ পি আৰে প্ৰকাশ কৰিছে যে চোৰাংচোৱাৰ প্ৰতিবেদনৰ ভিত্তিত সন্ত্ৰাসবাদীৰ ঘাটিক লক্ষ্য কৰি এই অভিযান চলোৱা হৈছিল। প্ৰধানমন্ত্ৰী শ্বাহবাজ শ্বৰীফ আৰু খাইবাৰ পখতুনখোৱাৰ ৰাজ্যপালে সেনাৰ এই সফল অভিযানৰ বাবে সামৰিক বাহিনীক প্ৰশংসা কৰিছে।**

০০০০০

প্ৰয়াগৰাজত অনুষ্ঠিত মহাকুম্ভ মেলাৰ সময়সীমা বৃদ্ধি কৰা নহয় বুলি উত্তৰ প্ৰদেশ চৰকাৰ আৰু মহাকুম্ভ মেলা কৰ্তৃপক্ষই  স্পষ্ট কৰিছে। প্ৰয়াগৰাজৰ জিলা ন্যায়াধীশ ৰবীন্দ্ৰ মনহাৰে প্ৰকাশ কৰিছে যে সামাজিক প্ৰচাৰ মাধ্যমত মেলাৰ সময়সীমা বৃদ্ধিক লৈ চলা প্ৰচাৰ ভুৱা। ভক্ত-দৰ্শনাৰ্থীসকলক এনে অপপ্ৰচাৰক বিশ্বাস নকৰিবলৈ তেওঁ আহ্বান জনাইছে। পূৰ্ব নিৰ্ধাৰিত তাৰিখ অৰ্থাৎ অহা ২৬ ফেব্ৰুৱাৰীতে মহাকুম্ভ মেলাৰ সামৰণি পৰিব।

মহাকুম্ভ মেলাৰ বাকী দিনকেইটা নিয়াৰিকৈ অনুষ্ঠিত কৰিবলৈ সকলো ব্যৱস্থা গ্ৰহণ কৰা বুলিও কৰ্তৃপক্ষই প্ৰকাশ কৰিছে।

০০০০০

ইংলেণ্ডৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী ঋষি ছুনকে কালি নতুন দিল্লীত সপৰিয়ালে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ কৰে। সামাজিক মাধ্যমযোগে প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে এই সন্দৰ্ভত প্ৰকাশ কৰি কয়, যে তেওঁলোকে বিভিন্ন গুৰুত্বপূৰ্ণ

বিষয়ত বাৰ্তালাপ কৰে। তেওঁ লগতে উল্লেখ কৰে যে শ্ৰীছুনক ভাৰতৰ এগৰাকী ভাল বন্ধু আৰু দুয়োখন ৰাষ্ট্ৰৰ সম্পৰ্ক সুদৃঢ় কৰাৰ পক্ষপাতী।

০০০০০

**গৱৰ্ণৰ জেনেৰেল বিজয় কুমাৰ সিঙৰ ভাষণেৰে আজিৰে পৰা মিজোৰাম বিধানসভাৰ বাজেট অধিৱেশন আৰম্ভ হ'ব। বিধানসভাৰ অধ্যক্ষ অধ্যক্ষ লালবিয়াকজামাই ৰাজ্যিক বিশ্ববিদ্যালয় সম্পৰ্কীয় এখন বিধেয়ককে ধৰি মুঠ চাৰিখন চৰকাৰী বিধেয়ক অধিৱেশনত উত্থাপনৰ বাবে ইতিমধ্য অনুমোদন জনাইছে। ইয়াৰ উপৰিও আন তিনিখন চৰকাৰী বিধেয়কত অধ্যক্ষগৰাকীয়ে অনুমোদন জনাবলৈ বাকী আছে। এই পৰ্যন্ত বিধানসভা সচিবালয়ে সদনত উত্তৰ দিবলগীয়া কমেও ৮৫টা ব্যক্তিগত প্ৰস্তাৱ আৰু ৮৩৩টা প্ৰশ্নৰ লগতে লিখিতভাৱে উত্তৰ দিবলগীয়া ৯৬টা প্ৰশ্নও লাভ কৰিছে।**

০০০০০

আই চি চি চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ নৱম সংস্কৰণ আজি আৰম্ভ হ'ব। প্ৰতিযোগিতাৰ উদ্বোধনী খেলখনত পাকিস্তানৰ কৰাচীত আজি যোৱাবাৰৰ বিজয়ী পাকিস্তান নিউজিলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি দিনৰ আঢ়ৈ বজাত আৰম্ভ হ'ব।

পাকিস্তান আৰু সংযুক্ত আৰব আমিৰি ৰাষ্ট্ৰত হ'বলগীয়া আৰু বিশ্বৰ শীৰ্ষস্থানৰ ৮খন দেশে অংশ ল'বলগীয়া প্ৰতিযোগিতাখনৰ গ্ৰুপ-এত ভাৰত, নিউজিলেণ্ড, বাংলাদেশ আৰু আয়োজক পাকিস্তান তথা গ্ৰুপ-বিত আফগানিস্তান, অষ্ট্ৰেলিয়া, ইংলেণ্ড আৰু দক্ষিণ আফ্ৰিকাক ৰখা হৈছে। প্ৰতিযোগিতাৰ চূড়ান্ত খেলখন অহা ৯ মাৰ্চত খেলোৱা হ'ব। ২০১৭ চনত অনুষ্ঠিত চেম্পিয়নছ ট্ৰফীৰ শেহতীয়া সংস্কৰণত পাকিস্তানে ভাৰতক পৰাস্ত কৰি চেম্পিয়নৰ খিতাপ অৰ্জন কৰিছিল। ৰোহিত শৰ্মা নেতৃত্বাধীন ভাৰতে কাইলৈ ডুবাই আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত নিজৰ প্ৰথমখন খেলত বাংলাদেশৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০

ভাৰতীয় পুৰুষ হকী দল এফ আই এইচ প্ৰ' হকী লীগ প্ৰতিযোগিতাৰ এখন খেলত কালি বিশ্ব চেম্পিয়ন জাৰ্মানীৰ বিৰুদ্ধে পৰাস্ত হৈছে। ভুৱনেশ্বৰৰ কলিংগা হকী ষ্টেডিয়ামত অনুষ্ঠিত খেলখনত ভাৰত ১-৪ৰ ব্যৱধানত পৰাস্ত হয়। জাৰ্মানীৰ হৈ ফ্ল'ৰিয়ান স্পাৰ্লিং, থিয়েজ প্ৰীঞ্জ, মিচেল ষ্ট্ৰথফ আৰু হাৰ্টক'পফে একোটাকৈ তথা ভাৰতৰ হৈ গুৰজন সিঙে একমাত্ৰ গ'লটো দিয়ে। প্ৰতিযোগিতাৰ তিনিখন খেলত এয়া আছিল ভাৰতৰ দ্বিতীয়টো পৰাজয়। কলিংগা ষ্টেডিয়ামতে আজি বিয়লি ভাৰত পুনৰ জাৰ্মানীৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ইপিনে ভাৰতীয় মহিলা হকী দলেও এফ আই এইচ প্ৰ' হকী লীগৰ কালিৰ খেলত পৰাজিত হৈছে। দলটো স্পেইনৰ বিৰুদ্ধে ৩-৪ৰ ব্যৱধানত পৰাস্ত হয়। ভাৰতে স্পেইনৰ বিৰুদ্ধেই পৰৱৰ্তী খেলখনত কাইলৈ সন্ধিয়া চাৰে ৭ বজাত অৱতীৰ্ণ হ'ব।

০০০০০

সমাপ্ত